Test Booklet No.
परीक्षा पुस्तिका संख्या

120785

This booklet contains 20 pages.
इस पुस्तिका में 20 पृष्ठ हैं ।

# JBC – 12A

**PAPER II / प्रश्न-पत्र II**
**PART IV & V / भाग IV & V**
**Assamese Language Supplement**
**असमी भाषा परिशिष्ट**

Test Booklet Code
परीक्षा पुस्तिका संकेत

**W**

**Do not open this Test Booklet until you are asked to do so.**
**इस परीक्षा पुस्तिका को तब तक न खोलें जब तक कहा न जाए ।**
**Read carefully the Instructions on the Back Cover (Page 19 & 20) of this Test Booklet.**
**इस परीक्षा पुस्तिका के पिछले आवरण (पृष्ठ 19 व 20) पर दिए निर्देशों को ध्यान से पढ़ें ।**

**For instructions in Assamese see Page 2 of this booklet. / असमी में निर्देशों के लिए इस पुस्तिका का पृष्ठ 2 देखें ।**

## *INSTRUCTIONS FOR CANDIDATES*

1. This booklet is a supplement to the Main Test Booklet for those candidates who wish to answer **EITHER** Part IV (Language I) **OR** Part V (Language II) in **ASSAMESE** language, but **NOT BOTH**.
2. Candidates are required to answer Part I and Part II **OR** III from the Main Test Booklet and Parts IV and V from the languages chosen by them.
3. Questions on English and Hindi languages for Part IV and Part V have been given in the Main Test Booklet. Language Supplements can be asked for separately.
4. Use **Blue / Black Ball Point Pen only** for writing particulars on this page / marking responses in the Answer Sheet.
5. The CODE for this Language Booklet is **W**. Make sure that the CODE printed on **Side-2** of the Answer Sheet and on your Main Test Booklet is the same as that on this Language Supplement Booklet. In case of discrepancy, the candidate should immediately report the matter to the Invigilator for replacement of the Language Supplement Test Booklet.
6. This Test Booklet has **two** Parts, IV and V, consisting of **60** Objective Type Questions, each carrying 1 mark :
   Part IV : Language I – (Assamese) *(Q. 91 to Q. 120)*
   Part V : Language II – (Assamese) *(Q. 121 to Q. 150)*
7. Part IV contains 30 questions for Language I and Part V contains 30 questions for Language II. In this Test Booklet, only questions pertaining to Assamese language have been given. **In case the language/s you have opted for as Language I and/or Language II is a language other than Assamese, please ask for a Test Booklet that contains questions on that language. The languages being answered must tally with the languages opted for in your Application Form.**
8. **Candidates are required to attempt questions in Part V (Language II) in a language other than the one chosen as Language I (in Part IV) from the list of languages.**
9. Rough work should be done only in the space provided in the Test Booklet for the same.
10. The answers are to be recorded on the OMR Answer Sheet only. Mark your responses carefully. No whitener is allowed for changing answers.

## *परीक्षार्थियों के लिए निर्देश*

1. यह पुस्तिका मुख्य परीक्षा पुस्तिका की एक परिशिष्ट है, उन परीक्षार्थियों के लिए जो **या** तो भाग IV (भाषा I) **या** भाग V (भाषा II) **असमी** भाषा में देना चाहते हैं, लेकिन **दोनों नहीं** ।
2. परीक्षार्थी भाग I एवं भाग II **या** III के उत्तर मुख्य परीक्षा पुस्तिका से दें और भाग IV व V के उत्तर उनके द्वारा चुनी भाषाओं से ।
3. अंग्रेज़ी व हिन्दी भाषा पर प्रश्न मुख्य परीक्षा पुस्तिका में भाग IV व भाग V के अन्तर्गत दिए गए हैं । भाषा परिशिष्टों को आप अलग से माँग सकते हैं ।
4. इस पृष्ठ पर विवरण अंकित करने एवं उत्तर पत्र पर निशान लगाने के लिए **केवल नीले/काले बॉल पॉइंट पेन** का प्रयोग करें ।
5. इस भाषा पुस्तिका का **संकेत** है **W**. यह सुनिश्चित कर लें कि इस भाषा परिशिष्ट पुस्तिका का संकेत, उत्तर पत्र के **पृष्ठ-2** एवं मुख्य प्रश्न पुस्तिका पर छपे संकेत से मिलता है । अगर यह भिन्न हो तो परीक्षार्थी दूसरी भाषा परिशिष्ट परीक्षा पुस्तिका लेने के लिए निरीक्षक को तुरन्त अवगत कराएँ ।
6. इस परीक्षा पुस्तिका में **दो** भाग IV और V हैं, जिनमें **60** वस्तुनिष्ठ प्रश्न हैं, जो प्रत्येक 1 अंक का है :
   भाग IV : भाषा I — (असमी) *(प्र. 91 से प्र. 120)*
   भाग V : भाषा II — (असमी) *(प्र. 121 से प्र. 150)*
7. भाग IV में भाषा I के लिए 30 प्रश्न और भाग V में भाषा II के लिए 30 प्रश्न दिए गए हैं । इस परीक्षा पुस्तिका में केवल असमी भाषा से संबंधित प्रश्न दिए गए हैं । **यदि भाषा I और/या भाषा II में आपके द्वारा चुनी गई भाषा(एँ) असमी के अलावा है तो कृपया उस भाषा वाली परीक्षा पुस्तिका माँग लीजिए । जिन भाषाओं के प्रश्नों के उत्तर आप दे रहे हैं वह आवेदन पत्र में चुनी गई भाषाओं से अवश्य मेल खानी चाहिएँ।**
8. **परीक्षार्थी भाग V (भाषा II) के लिए, भाषा सूची से ऐसी भाषा चुनें जो उनके द्वारा भाषा I (भाग IV) में चुनी गई भाषा से भिन्न हो ।**
9. रफ कार्य परीक्षा पुस्तिका में इस प्रयोजन के लिए दी गई खाली जगह पर ही करें ।
10. सभी उत्तर केवल OMR उत्तर पत्र पर ही अंकित करें । अपने उत्तर ध्यानपूर्वक अंकित करें । उत्तर बदलने हेतु श्वेत रंजक का प्रयोग निषिद्ध है ।

Name of the Candidate (in Capitals) : ______________________
परीक्षार्थी का नाम (बड़े अक्षरों में) :
Roll Number (अनुक्रमांक) : in figures (अंकों में) ______________________
: in words (शब्दों में) ______________________
Centre of Examination (in Capitals) : ______________________
परीक्षा केन्द्र (बड़े अक्षरों में) :
Candidate's Signature : ______________ Invigilator's Signature : ______________
परीक्षार्थी के हस्ताक्षर : निरीक्षक के हस्ताक्षर :
Facsimile signature stamp of Centre Superintendent ______________________

SEAL

এই পৰীক্ষা বহীত 20টা পৃষ্ঠা আছে

# JBC – 12A

পৰীক্ষা বহীখনৰ কোড

**W**

## কাকত II
## খণ্ড IV & V
## অসমীয়া ভাষা

**এই পৰীক্ষা বহীখন তোমাক খুলিবলৈ নোকোৱালৈকে নুখুলিবা ।**

**এই পৰীক্ষা বহীখনৰ ওপৰৰ পৃষ্ঠাটিত (পৃষ্ঠা 19 আৰু 20) থকা নিৰ্দেশনা মনোযোগেৰে পঢ়া ।**

*পৰীক্ষাৰ্থীৰ বাবে নিৰ্দেশনা :*

1. এই বহীখন মুখ্য পৰীক্ষণৰ বহীখনৰ সহায়ক হিচাপে সেই সকল পৰীক্ষাৰ্থীক দিয়া হৈছে যিয়ে **অসমীয়া** ভাষাৰ খণ্ড IV (ভাষা I) বা খণ্ড V (ভাষা II) উত্তৰ কৰিব বিচাৰে । কিন্তু দুয়োটা খণ্ডৰ উত্তৰ কৰিব নোৱাৰিব ।
2. পৰীক্ষাৰ্থী সকলে মুখ্য পৰীক্ষা বহীৰ পৰা I, II, III খণ্ডৰ উত্তৰ কৰিব লাগিব আৰু তেওঁলোকে নিৰ্বাচন কৰা ভাষাৰ খণ্ড IV আৰু V কৰিব লাগিব ।
3. ইংৰাজী আৰু হিন্দী ভাষাৰ IV আৰু V খণ্ডৰ প্ৰশ্নসমূহ মুখ্য পৰীক্ষণ বহীৰ সৈতে দিয়া হৈছে । ভাষা সহায়ক সমূহ আঁচুতীয়াকৈ লৈ উত্তৰ দিব পাৰিব ।
4. এই পৃষ্ঠাত নিৰ্দ্দিষ্ট বিষয়সমূহ কেৱল লিখিবলৈ আৰু উত্তৰসমূহ চিহ্নিত কৰিবলৈ **নীলা/ক'লা বল পেন** ব্যৱহাৰ কৰিবা ।
5. এইখন ভাষা বহীৰ **কোড** হ'ল **W**. এইটো নিশ্চিত কৰা যে উত্তৰ বহীৰ **দ্বিতীয় পিঠি**, মুখ্য পৰীক্ষণ বহী আৰু ভাষা সহায়কত একে ধৰণে এই কোডটো লিখা আছে । পৰীক্ষাৰ্থীয়ে ইয়াৰ কিবা খেলিমেলি দেখিলে নিৰীক্ষকক জনাব আৰু ভাষা সহায়ক পৰীক্ষণ বহী সলাই লব ।
6. এই পৰীক্ষণ বহীৰ **দুটা** খণ্ড – চতুৰ্থ আৰু পঞ্চম ইয়াত **60**টা চমুধৰণৰ প্ৰশ্ন আছে । প্ৰত্যেক প্ৰশ্নতে 1 নম্বৰকৈ দিয়া হৈছে :

   খণ্ড IV : ভাষা I (অসমীয়া) (প্ৰশ্ন 91 ৰ পৰা প্ৰশ্ন 120 লৈ)

   খণ্ড V : ভাষা II (অসমীয়া) (প্ৰশ্ন 121 ৰ পৰা প্ৰশ্ন 150 লৈ)
7. খণ্ড IV তো ভাষা I ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে আৰু খণ্ড V ত ভাষা II ৰ বাবে 30টা প্ৰশ্ন দিয়া হৈছে । এই পৰীক্ষণ বহীত প্ৰশ্নসমূহ কেৱল অসমীয়া ভাষাৰ বাবেহে দিয়া হৈছে । **ভাষাৰ ক্ষেত্ৰত যদি ভাষা I অথবা ভাষা II অসমীয়াত বাহিৰে অন্য ভাষাত প্ৰশ্ন দিয়া হৈছে তেনেহলে সেই ভাষাটোৰ প্ৰশ্ন থকা পৰীক্ষণ বহী খুজি লবা । তোমাৰ প্ৰপত্ৰত উল্লেখ কৰা ভাষাটোতহে পৰীক্ষাৰ উত্তৰ লিখিব পাৰিবা ।**
8. **পৰীক্ষাৰ্থীয়ে খণ্ড V ৰ (ভাষা II) প্ৰশ্নবোৰৰ উত্তৰ খণ্ড IV (ভাষা I) ত নিৰ্বাচিত কৰা ভাষাৰ দৰে কৰিব লাগিব ।**
9. প্ৰশ্নোত্তৰৰ বাদে বাহিৰা কাৰ্য কেৱল পৰীক্ষা বহীত থকা নিৰ্ধাৰিত ঠাইতহে কৰিব পাৰিব ।
10. প্ৰশ্নৰ উত্তৰবোৰ কেৱল OMR উত্তৰ কাকততহে লিপিবদ্ধ কৰিব লাগিব । তোমাৰ উওৰবোধ সযত্নে কৰা । উত্তৰ সলাবলৈ বগা অথবা অন্য ৰং ব্যৱহাৰ কৰিব নোৱাৰিবা ।

প্ৰাৰ্থীৰ নাম (স্পষ্টভাৱে) ____________________

ৰোলনম্বৰ : সংখ্যাৰে ____________________

: আখৰেৰে ____________________

পৰীক্ষাকেন্দ্ৰ (স্পষ্টভাৱে) ____________________

প্ৰাৰ্থীৰ চহী ____________________ নিৰীক্ষকৰ চহী ____________________

Facsimile signature stamp of
Centre Superintendent ____________________

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ

প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে

কৰিব যদি তেওঁলোকে **ভাষা – I** ৰ

বিকল্প অসমীয়া লৈছে ।

→

# ভাগ IV
## ভাষা I
## অসমীয়া

*নির্দেশ : তলৰ পৰিচ্ছেদটো ভালদৰে পঢ়া । পৰিচ্ছেদটোৰ শেষত (91ৰ পৰা 99লৈ) নটা প্রশ্ন আৰু প্রতিটো প্রশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত বিকল্প উত্তৰ নির্বাচন কৰি প্রশ্নসমূহৰ উত্তৰ কৰা ।*

### অংকীয়া ভাওনা

প্রায় সকলো দেশতেই ভাওনাই নৰধর্ম প্রচলনৰ বাহন স্বৰূপে কাম কৰি আহিছে । পুৰণি গ্রীচ দেশত নাট্য-সাহিত্যৰ ভিতৰেদি জাতীয় আৰু আধ্যাত্মিক আদর্শ ব্যক্ত কৰা হৈছিল । খ্রীষ্টধর্ম প্রথমে প্রচলিত হ'বলৈ ধৰাত, নাট্য-সাহিত্যই ইয়াৰ বিস্তাৰত সহায় কৰিছিল । সেই একে উদ্দেশ্যৰ বশৱতী হৈয়ে শংকৰদেৱে প্রথমে নাট্য-সাহিত্য ৰচনা কৰে । মানুহ স্বভাৱতে আমোদপ্রিয় আৰু ভাওনাৰ এটি সুবিধা এই যে ৰং-ধেমালিৰ লগে লগে ই মানুহক শিক্ষা দিয়ে । পুৰণি বৈষ্ণৱ সাহিত্যত ভাওনাৰ ঠাই লোকৰঞ্জন, লোক-সংগ্রহ, লোক-স্থিতিত; আকৌ, ভাওনাৰে যিমান সোনকালে কোনো এটা বিষয় মানুহৰ মনত সুমুৱাই দিব পাৰি, আন একোৰে নোৱাৰি । 'তৈলবিন্দুবৎ' পানীত তেলৰ টোপাৰ দৰে নাটৰ প্রতিপাদ্য বিষয় বিৰাট জনসংঘত বিয়পি পৰে । সূত্রধাৰেই ইয়াৰ মধ্যস্থ পুৰুষ । সূত্রধাৰ নামটো সংস্কৃত নাটৰ পৰা ধাৰ কৰি অনা হ'লেও ভাওনাত ইয়াৰ কাম সম্পূর্ণ স্বতন্ত্র ।

এই সূত্রধাৰৰ অনুৰূপ কল্পনা পুৰণি ভাৰতীয় সাহিত্যত নাই; ইয়াক দেখা যায় মাথোন পুৰনি গ্রীক নাটৰ কোৰাছৰ কল্পনাত । কিন্তু গ্রীক নাটে চৰম অভিব্যক্তি লাভ কৰিছিল বুলি মুখামুখিকৈ সমজুৱাসকলক লক্ষ্য কৰি গ্রীক কোৰাছে কথা নকয়, কেৱল নাটৰ ঘটনাবোৰৰ অর্থ দর্শকমণ্ডলীক উপলক্ষ্য কৰি গীতৰ সহায়েৰে ব্যক্ত কৰে । অসমীয়া নাটত সূত্রধাৰৰ গীত আৰু সমজুৱাসকলক লক্ষ্য কৰি কোৱা গীতার্থব্যঞ্জক কথাও আছে ।

পুৰণি অসমীয়া নাটৰ নির্মাণত দুটি খলপা পোৱা যায় । নাটত গদ্য আৰু পদ্য দুয়োটা আছে । গদ্য কথাবোৰ একেবাৰে এৰি দিলেও কেৱল গীত আৰু পদৰ ভিতৰতেই বচন আৰু উত্তৰ স্বৰূপে নাটৰ ঘটনাৱলী পোৱা যায় আৰু গীত-পদ এৰি দিলেও কেৱল কথাৰ পৰাই গোটেই নাটখন উদ্ধাৰ কৰিব পাৰি । গদ্য কথাবোৰ এৰি দিলে নাট হ'বই নোৱাৰে; কিন্তু কবিসকলৰ প্রতিভাৰ বিকাশ হৈছে গীত আৰু পদবোৰৰ ভিতৰেদি । কথাবোৰেৰে নাটৰ ঘটনা-পৰম্পৰাক সৰলভাৱে সমজুৱাসকলক বুজোৱা হৈছে মাথোন । কিন্তু সাহিত্য হিচাপে নাটবোৰৰ সাৰুৱা অংশ হৈছে গীতবোৰেই ।

পুৰণি অসমীয়া নাটৰ নিজ নাম হৈছে অংকীয়া ভাওনা । সংস্কৃতত ভাণ নামে এবিধ নাটক আছে, তাত মাথোন একেটি অংক থাকে । অসমীয়া নাটতো গুৰিৰ পৰা আগলৈকে একেটি 'অংক' মাথোন । সংস্কৃতৰ এক অংক থকা ভাণৰ লগত আমাৰ অংকীয়া ভাওনাৰ কিবা সম্বন্ধ থাকিব পাৰে । এইটোও অলপ মন কৰিবলগীয়া যে পুৰণি গ্রীক নাটবোৰতো একেটি মাথোন অংক থাকে ।

91. পুৰণি গ্ৰীছ দেশত কি সাহিত্যৰ ভিতৰেদি জাতীয় আৰু আধ্যাত্মিক আদৰ্শ ব্যক্ত কৰা হৈছিল ?

(1) কাব্য সাহিত্য

(2) নাট্য সাহিত্য

(3) ভাণ সাহিত্য

(4) গদ্য সাহিত্য

92. ভাওনাই নৰধৰ্মৰ প্ৰচলণৰ বাহন স্বৰূপে কাম কৰি আহিছে –

(1) অসমত

(2) ভাৰতত

(3) প্ৰায় সকলো দেশতেই

(4) গ্ৰীচত

93. শংকৰদেৱে নাটক অধিক শক্তিশালী বুলি ভবাৰ কাৰণ –

(1) নাটে লোক মনোৰঞ্জন কৰে

(2) নাটে 'তৈলবিন্দুৱৎ' প্ৰভাৱ পেলায়

(3) পুৰনি বৈষ্ণৱ সাহিত্যত নাটৰ স্থান অতি উচ্চ আছিল

(4) নাটৰ জৰিয়তে বক্তব্য বিষয় মানুহৰ মাজত সহজতে সুমুৱাই দিব পাৰি

94. পুৰনি অসমীয়া নাটৰ নিজা নাম –

(1) নাট

(2) অংকীয়া ভাওনা

(3) যাত্ৰা

(4) ভাওনা

95. সূত্ৰধাৰৰ অনুৰূপ কল্পনা ক'ত পৰিলক্ষিত হয় ?

(1) ভাৰতীয় নাটত

(2) ভাণত

(3) গ্ৰীক নাটত

(4) অংকীয়া নাটত

96. পুৰনি অসমীয়া নাটকত কবিসকলৰ প্ৰতিভাৰ বিকাশ হৈছে –

(1) গদ্যকথাৰ ভিতৰেদি

(2) চৰিত্ৰ চিত্ৰণৰ জৰিয়তে

(3) গীত আৰু পদবোৰৰ ভিতৰেদি

(4) সংলাপ সংযোজনৰ ভাৰিয়তে

97. ভাণ নামৰ নাটবিধ কোন সাহিত্যত পোৱা যায় –

(1) গ্ৰীক সাহিত্যত

(2) সংস্কৃত সাহিত্যত

(3) অসমীয়া সাহিত্যত

(4) ভাৰতীয় সাহিত্যত

98. অংকীয়া ভাওনা, ভাপ আৰু পুৰনি গ্ৰীক নাটৰ মাজত প্ৰধান কি বিষয়ত মিল পৰিলক্ষিত হয় ?

(1) সূত্ৰধাৰ থাকে

(2) এটা মাত্ৰ অঙ্ক থাকে

(3) কেৱল সংলাপ থাকে

(4) কেৱল গীত-পদ থাকে

99. পুৰনি অসমীয়া নাটৰ নিৰ্মানত খলপা পোৱা যায় –

(1) এটা

(2) দুটা

(3) তিনিটা

(4) বহুতো

*নিৰ্দেশ : তলৰ কবিতাংশ ভালদৰে পঢ়া । কবিতাংশৰ শেষত (প্ৰশ্ন 100ৰ পৰা 105লৈ) ছটা প্ৰশ্ন আৰু প্ৰতিটো প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত বিকল্প চিহ্নিত কৰি প্ৰশ্নবোৰৰ উত্তৰ কৰা ।*

### বশিষ্ঠাশ্ৰম

হে পথিক ! জুৰোৱাহি তাপিত জীৱন
ক্ষন্তেক বহিলে হিয়া পৰিব শীতল,
ভাগৰুৱা পথিকৰ শান্তিনিকেতন
অময়া প্ৰেমৰ পুৰী গিৰি সন্ধ্যাচল ।

প্ৰকৃতিৰ কাব্যবন ঋষিৰ আশ্ৰম
অমৰ বাঞ্ছিত পুৰী অতি বিতোপন,
চাৰি দিশ নিজঞ্জাল নিমাত নিজম,
গম্ভীৰ প্ৰকৃতি যোগী ধ্যানত মগন ।

সন্ধ্যা-ললিতা-কান্তা পৰ্বত জীয়াৰী,
তিনিওটি বাই-ভনী স্বৰ্গীয় ভাৰত
মহিমাৰ গীত গাই স্বভাৱ সুন্দৰী,
সম্ভাষিছে ব্ৰহ্মপুত্ৰ স্বামীৰ কোলাত ।

দুকাষে ফুলৰ শাৰী গছ লতিকাই,
হালিজালি সেৱা কৰে ঋষিৰ পাৰত,
গগন বিহাৰী পখী কানন ভূলাই,
মঙ্গল আৰতি কৰে কুঞ্জ কাননত ।

**100.** তাপিত জীৱন জুৰাবলৈ কবিয়ে কাক আহবান কৰিছে ?

(1) ঋষি বশিষ্ঠক

(2) পথিকক

(3) সন্ধ্যা-ললিতাক

(4) সন্ধ্যা-ললিতা আৰু কান্তাক

**101.** ভাগৰুৱা পথিকৰ বাবে সন্ধ্যাচল –

(1) কাব্যবন স্বৰূপ

(2) আশ্ৰমৰ দৰে

(3) শান্তি নিকেতন স্বৰূপ

(4) কুঞ্জকানন স্বৰূপ

**102.** প্ৰকৃতিৰ কাব্যবন হৈছে –

(1) গিৰি সন্ধ্যাচল

(2) শান্তি নিকেতন

(3) দুকাষৰ ফুলৰ শাৰী

(4) ঋষিৰ আশ্ৰম

**103.** কোনযোগী ধ্যানত মগন ?

(1) বশিষ্ঠ মুনি

(2) ব্ৰহ্মপুত্ৰ

(3) কণ্বমুনি

(4) গিৰিৰাজ

**104.** ঋষিৰ আশ্ৰমখনৰ চাৰিও দিশ কেনেকুৱা ?

(1) শীতল

(2) নিজঞ্জাল আৰু নিমাত নিজম

(3) গছলতিকাৰে পূৰ্ণ

(4) পখীৰ মাতেৰে পূৰ্ণ

**105.** ব্ৰহ্মপুত্ৰ হৈছে –

(1) সন্ধ্যাৰ স্বামী

(2) ললিতাৰ স্বামী

(3) কান্তাৰ স্বামী

(4) সন্ধ্যা-ললিতা-কান্তাৰ স্বামী

*নিৰ্দেশ : প্ৰতিটো প্ৰশ্নৰ তলত দিয়া বিকল্পৰ মাজৰ পৰা অতি উপযুক্ত বিকল্পটো বাচি উলিয়াই তলত দিয়া প্ৰশ্ন-বিলাকৰ উত্তৰ কৰা ।*

**106.** 'সৃজনমূলক পঠন' (Creative Reading) ৰ নিদৰ্শন হৈছে –

(1) বিষয়ৰ অধিক তথ্য সংগ্ৰহৰ বাবে গ্ৰন্থাগাৰত কৰা প্ৰাসংগিক কাম

(2) বিষয় সম্পৰ্কীয় তথ্য সংগ্ৰহৰ বাবে ইন্টাৰনেটত কৰা অন্বেষণ

(3) নাট্যৰূপ, চৰিত্ৰ চিত্ৰণ আৰু ভিন্ন দৃষ্টিকোণৰ পৰা কৰা পুণৰ লিখন

(4) অৰ্থ বিচাৰি কৰা পঠন

**107.** 'ওপৰে ওপৰে পঢ়া কাৰ্য' (skimming) হৈছে –

(1) সাধাৰণ বিষয়-সূচী, ধাৰণা অথবা মূলকথাৰ আভাস পাবলৈ কৰা কোনো পাঠৰ খৰতকীয়া পঠন

(2) কোনো পাঠৰ নিৰ্দিষ্ট কথাৰ বিষয়ে জানিবলৈ অপ্ৰাসংগিক বিষয় বাদ দি কৰা প্ৰক্ষিপ্ত অধ্যয়ন

(3) পঠনৰ পাছত প্ৰাসংগিক কথাখিনি লিখিত ৰূপলৈ কৰা ৰূপান্তৰ

(4) কোনো বিষয়ৰ ধাৰণা, প্ৰয়োগ অথবা সাংগঠনিক অন্বেষণৰ বাবে পঠনৰ সময়ত কৰা বিচাৰ বিশ্লেষণ

**108.** 'পাঠ্য সংযোগ কৰন' (textual cohesion) অৰ্থ হৈছে –

(1) কোনো এটা গল্পৰ বৰ্ননাক বুজিবলৈ কৰা দফাসমূহৰ সংগঠন

(2) কোনো এটা দফাৰ তথ্যক যুক্তিসংগতভাৱে উপস্থাপন কৰা এক পদ্ধতি

(3) কোনো দীঘলীয়া, লানি নিচিগা পাঠৰ অ'ৰ-ত'ৰ পৰা সংগৃহীত তথ্য লিখন

(4) দফা বা বাক্যসমূহৰ মাজত সম্বন্ধ স্থাপনৰ বাবে সৰ্বনাম, সংযোজক অথবা সমাৰ্থক শব্দৰ ব্যৱহাৰ

**109.** নিৰ্ভৰযোগ্য শ্ৰৱণ (authentic listening) হৈছে –

(1) কোনো এটা কাৰ্যৰ বাবে প্ৰয়োজনীয় সম্ভেদ পাবলৈ যেনে-তেনে শুনা

(2) শ্ৰোতা এজনে শুনা কাৰ্য সম্পাদন কৰাৰ এটা অৱস্থা

(3) স্বাভাৱিক কথোপকথন মৌখিক অথবা বানীবদ্ধৰূপত শুনা

(4) শিক্ষকে, ডাঙৰকৈ পঢ়া, আধা লিখিত বা স্বতঃস্ফূৰ্ত, কোনো বক্তৃতা শুনা

**110.** কি বৈশিষ্ট্যই লিখিত কথাক মৌখিক কথাৰ পৰা পৃথক কৰে ? লিখিত কথাত –

(1) বাহুল্য অথবা পুনৰাবৃত্তি নাথাকে

(2) বাকপটুতা কেন্দ্ৰিক কাৰ্যক্ৰম থাকে

(3) ব্যাকৰণগত গঠনক নিবিড়ভাৱে অনুসৰণ কৰা নহয়

(4) বক্তব্যৰ সীমাৰেখা নাথাকে

111. অসমীয়া ভাষাৰ শ্ৰেণী এটাত 'শ্ৰোতা কেন্দ্ৰিক বক্তৃতা' (reciprocity of speech) ই সূচায় –

(1) অবিৰত আৰু স্বতঃ স্ফূৰ্তভাৱে কৰা ভাষাৰ ব্যৱহাৰ

(2) শ্ৰোতাৰ সহাঁৰি অনুসৰি বক্তাই কৰা বক্তৃতাৰ সাল সলনি

(3) কোনোবা এজনৰ কথিত বা লিখিত ৰূপৰ ভাব-বিনি ময়ৰ সাৰ্থকতাৰ বিষয়ে দিয়া সন্তেদ

(4) স্বগতোক্তি অথবা আনুষ্ঠানিক বক্তব্যৰ বিপৰীত সংলাপ

112. শিকাৰুৰ কথা কোৱাৰ দক্ষতা বঢ়াবলৈ 'ধ্বনি-শৃংখল' (sound sequence) কেনেদৰে ব্যৱহাৰ কৰিব পাৰি ?

(1) বানীবদ্ধ ধ্বনি-শৃংখল শুনাৰ পাছত শিকাৰু-সকলক এটা গল্পৰ ৰূপত সজাই পৰাই ক'বলৈ দি

(2) কথিত ৰূপৰ ধ্বনি-শৃংখলক অখণ্ড ৰাখি উদ্দেশ্যপূৰ্ণ শ্ৰুতলিপি দি

(3) কাৰ্টুন অথবা অন্য দৃশ্যৰূপত ব্যৱহাৰ কৰি

(4) আধা কোৱা গল্প বা বাক্যাংশৰ পৰা সম্পূৰ্ণ গল্প শিকাৰুসকলক নিজৰ ভাষাত ক'বলৈ দি

113. স্বগতোক্তিৰ জৰিয়তে মূল্যাংকন কৰা তিনিটা উপ-দক্ষতা হৈছে –

(1) অঙ্গী-ভঙ্গী, বক্তাৰ অনুমান, বক্তাৰ অৱস্থিতি

(2) সুৰ, মাতৰ গুণ, ক্ষিপ্ৰতা

(3) মাতৰ গুণ, শৈলী, বক্তাৰ অৱস্থিতি

(4) বক্তাৰ অনুমান, সুৰ, প্ৰসংগ

114. 'আহৰণ-দুৰ্বল পৰিৱেশ' (acquisition-poor environment) হৈছে, য'ত

(1) হিন্দী বা মাতৃভাষা হৈছে সংযোগী ভাষা

(2) শিক্ষণীয় ভাষাৰ ব্যৱহাৰ শ্ৰেণী কোঠাত সীমিত

(3) ঘৰত শিক্ষণীয় ভাষা মুঠেও কোৱা নহয়

(4) পৰিৱেশত শিক্ষণীয় ভাষাৰ ব্যৱহাৰ ব্যাপক

115. তলৰ কোন দুটা উপাদানে 'জ্ঞান-শৈলী' (cognitive-style) গঠন কৰে ?

(1) প্ৰতিদ্বন্দিতামূলক আৰু সহযোগিতামূলক

(2) তৰ্জ্জমামূলক আৰু আক্ষৰিক

(3) উদ্যোগী বা পৰিশ্ৰমী আৰু সোৰোপা

(4) ক্ষেত্ৰ নিৰ্ভৰশীলতা আৰু ক্ষেত্ৰ স্বাধীনতা

116. 'অনুসন্ধানমূলক শিক্ষণ' (enquiry based learning) ৰ অৰ্থ হৈছে –

(1) বিষয়ৰ পদ্ধতিগত উপস্থাপন আৰু দক্ষতা তথা শিক্ষণৰ অনুশীলন

(2) ভাৱনামূলক-কাৰ্যমূলক (notional-functional) পাঠ্যক্ৰমৰ নিচিনা একধৰণৰ অৰ্থগত পাঠ্যক্ৰম

(3) এক নিৰ্দেশাত্মক নীতি, য'ত ছাত্ৰ-ছাত্ৰীসকলে সম্মিলিতভাৱে সমস্যাবোৰৰ সমাধান কৰে আৰু তেওঁলোকৰ অভিজ্ঞতাবোৰৰ প্ৰতিফলন ঘটায়

(4) ভাষা শিক্ষণৰ ক্ষেত্ৰত প্ৰয়োগ কৰা এক তত্ত্ব

117. ভাষা শিক্ষণৰ সময়ৰ এক 'জটিল-সন্ধিক্ষণ' হৈছে –

(1) এনে এক সময়, যেতিয়া আন যিকোনো সময়ৰ তুলনাত ভাষা অনায়াসে আয়ত্ব কৰিব পাৰি

(2) শ্ৰেণীকোঠাত বিস্তৃত মূল্যায়ন আৰম্ভ হোৱাৰ আগৰ এক দীৰ্ঘ সময়

(3) যিকোনো ভাষা শিক্ষণৰ পূৰ্ব প্ৰস্তুতিৰ সময়ছোৱা

(4) ছাত্ৰ-ছাত্ৰীসকলে অবিশ্ৰান্তভাৱে ভাষা ব্যৱহাৰৰ অনুশীলন কৰিবলৈ আবুতীয়াকৈ যোৱা বিশেষ সময়ছোৱা

118. সাৰাংশ লিখিবলৈ প্ৰয়োজন হোৱা দুটা দক্ষতা হৈছে –

(1) শব্দৰ পৰিৱৰ্তে চিহ্নৰ ব্যৱহাৰ, সঠিকভাৱে লিখন

(2) নিজৰ শব্দেৰে কোনো এটা পাঠ পুনৰ লিখন, সমাৰ্থক শব্দৰ ব্যৱহাৰ

(3) মুখ্য আৰু গৌন দিশবোৰৰ চিনাক্তকৰণ, ধাৰণাৰ স্তৰ বিচাৰ

(4) শুদ্ধ লিখন, সংযোজকবোৰৰ ব্যৱহাৰ

119. এগৰাকী ছাত্ৰ বা ছাত্ৰীয়ে বিভিন্ন কালৰ ৰূপৰ মাজৰ পাৰ্থক্য ধৰিবলৈ টান পালে, তাৰ প্ৰতিকাৰ কৰিব পাৰি –

(1) নিৰ্দিষ্ট বাক্যগঠনৰ অনুশীলন কৰিবলৈ অপৰ্যাপ্ত সুবিধা দি

(2) ছাত্ৰ-ছাত্ৰীসকলক নিজে নিজে বাক্য গঠন কৰিবলৈ দি আৰু শিক্ষকসকলে সেই কাৰ্য তত্বাৱধান কৰি

(3) শ্ৰেণীকোঠাৰ বাহিৰতো বাক্যগঠন কৰিবলৈ শিকায়

(4) বাস্তৱ জীৱনৰ ভিন্নতাৰ ওপৰত ভিত্তি কৰি শিকাৰুসকলক সম্মিলিত ভাৱে বাক্যগঠনৰ অনুশীলন কৰিবলৈ দি

120. CCE-ৰ প্ৰৱৰ্তনৰ ফলত –

(1) ছাত্ৰ-ছাত্ৰীসকলৰ মূল্যায়ন নিয়মীয়া হৈছে

(2) ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন কাৰ্য উপভোগ কৰিব পৰা হৈছে

(3) শৈক্ষিক ক্ষেত্ৰত অধিক চাপ পৰিবলৈ লৈছে

(4) ছাত্ৰ-ছাত্ৰীসকলৰ ওপৰত শিক্ষকৰ নিয়ন্ত্ৰণ অধিক হ'বলৈ ধৰিছে

পৰীক্ষাৰ্থীয়ে নিম্নলিখিত ভাগৰ

প্ৰশ্নবোৰৰ উত্তৰ তেতিয়াহে

কৰিব যদি তেওঁলোকে ভাষা – **II** ৰ

বিকল্প অসমীয়া লৈছে ।

# ভাগ V
## ভাষা II
## অসমীয়া

*নিৰ্দেশ : তলৰ পৰিচ্ছেদটো ভালদৰে পঢ়া / পৰিচ্ছেদৰ শেষত [ 121ৰ পৰা 129লৈ ] নটা প্ৰশ্ন আৰু প্ৰতিটো প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত বিকল্প চিহ্নিত কৰি প্ৰশ্নবোৰৰ উত্তৰ কৰা ।*

### অসমীয়া কথাছবি

স্বৰ্গীয় প্ৰমথেশ চন্দ্ৰ বৰুৱাৰ জন্ম হৈছিল গৌৰীপুৰত ১৯০৩ চনত । তেওঁৰ দেউতাক জমিদাৰ স্বৰ্গীয় প্ৰভাত চন্দ্ৰ বৰুৱা 'অসম এছ'চিয়েচন'ৰ পৃষ্ঠপোষক আছিল । এনে ক্ষেত্ৰত গৌৰীপুৰৰ জমিদাৰ পৰিয়ালৰ অসীম প্ৰতিভাশালী প্ৰমথেশ বৰুৱাক লৈ অসমে গৌৰৱ কৰিব পাৰে জানো ?

স্বৰ্গীয় বৰুৱা ভাৰতীয় ফিল্ম-শিল্পৰ লগত প্ৰথমৰে পৰা জড়িত আছিল । বায়োস্কোপ অৰ্থাৎ নিৰ্বাক ফিল্মৰ দিনৰ পৰাই এইগৰাকী শিল্পীয়ে সাহসেৰে এই শিল্পকে জীৱিকাৰূপে ল'বলৈ আগবাঢ়ি গৈছিল । শেষলৈ স্বৰ্গীয় বৰুৱাই কলিকতাৰ নিউ থিয়েটাৰ্ছক কেন্দ্ৰ কৰি অসীম সাহসেৰে এই কামত একাণপতীয়াকৈ লাগে । ১৯৩৪ চনত 'দেবদাস' কথাছবি নিৰ্মাণ কৰি স্বৰ্গীয় বৰুৱা অকল দেশতে নহয়, সমগ্ৰ ভাৰততে প্ৰতিষ্ঠিত হ'লে এজন উচ্চমানৰ পৰিচালক আৰু অভিনেতাৰূপে । দেবদাসৰ উপৰি 'গৃহদাহ', 'উত্তৰায়ণ', 'মুক্তি', 'শাপমুক্তি' আদি কথাছবি নিৰ্মাণ কৰা প্ৰমথেশ বৰুৱাই নিশ্চয় সুবিধা পালে অসমীয়া ভাষাতো কথাছবি কৰিলেহেঁতেন । তেওঁ নিজেই এই কথা কৈছিল; কিন্তু অসমীয়া কথাছবি কৰিবলৈ সুবিধা নাপালে ।

যি বছৰত 'দেবদাস' ছবি নিৰ্মাণ কৰি অসমৰে সন্তান প্ৰমথেশ বৰুৱাই ভাৰতীয় কথাছবিৰ জগতত এখন যাউতিযুগীয়া আসনত অধিষ্ঠিত হৈছিল, সেই সময়তে আপেক্ষিকভাৱে কোনো সা-সুবিধা নথকা পৰিৱেশত তেজপুৰৰ ওচৰৰ ভোলাগুৰি চাহ বাগিচাত বাঁহ-কাঠ, কল-গছেৰে ষ্টুডিঅ সাজি, শব্দগ্ৰহণৰো দুঃসাহস কৰি, জ্যোতিপ্ৰসাদ আগৰৱালাই প্ৰথম অসমীয়া ভাষাৰ ছবি 'জয়মতী'ৰ চিত্ৰগ্ৰহণৰ কাম আৰম্ভ কৰিছিল । সেয়ে ১৯৩৪ চনটো কথাছবি জগতৰ দৃষ্টিৰে অসমৰ কাৰণে এটি গৌৰৱময় বছৰ ।

আচৰিত ধৰণে ১৯০৩ চনত জন্মগ্ৰহণ কৰি অকালতে ৪৮ বছৰ বয়সত ১৯৫১ চনত ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদ আগৰৱালা আৰু ৰাজকুমাৰ প্ৰমথেশ বৰুৱাই ইহসংসাৰ ত্যাগ কৰে । দুয়োগৰাকী প্ৰতিভাৱান শিল্পীয়ে ৰূপৰ চামুচ মুখত লৈ উপজিছিল, অথচ দুয়োজনে কলা-সংস্কৃতিৰ সাধনাত গতানুগতিক বিলাসী জীৱন ত্যাগ কৰিছিল । আনহাতে, জাতীয় আন্দোলনৰ ধামখুমীয়াই কলেজীয়া জীৱনত দুয়োৰে মন জোকাৰি গৈছিল । অৱশ্যে প্ৰমথেশ বৰুৱাই ৰাজনীতিতকৈ আৰ্ট ভাল বুলি ভাবি কলা সাধনাতেই মনোনিবেশ কৰিলে আৰু

জ্যোতিপ্ৰসাদে পিছৰ জীৱনত জনতাৰ মুক্তিৰ কাৰণে শিল্প চৰ্চাৰ উপৰি ৰাজনৈতিক আন্দোলনত জঁপিয়াই পৰিছিল ।

ইউৰোপত সংগীত শিক্ষা লাভ কৰি অহা ৰূপকোঁৱৰ জ্যোতিপ্ৰসাদে অসমৰ লোকগীতৰ সুৰক এটা মাৰ্জিত নিজস্ব ৰূপ দিয়া কথাক, প্ৰমথেশ বৰুৱাই ৰবীন্দ্ৰ সংগীতৰ সুপ্ৰয়োগেৰে বঙালী কথাছবিক চহকী কৰাৰৰ লগত তুলনা কৰিব পাৰি ।

**121.** প্ৰমথেশ চন্দ্ৰ বৰুৱাক লৈ কোনে গৌৰৱ কৰিব পাৰে ?

(1) প্ৰভাত চন্দ্ৰ বৰুৱাই

(2) অসমে

(3) অসম এছ'চিয়েচনে

(4) ভাৰতে

**122.** অসম এছ'চিয়েচনৰ পৃষ্ঠপোষক আছিল –

(1) প্ৰভাত চন্দ্ৰ বৰুৱা

(2) প্ৰমথেশ চন্দ্ৰ বৰুৱা

(3) জ্যোতি প্ৰসাদ আগৰৱালা

(4) লক্ষ্মীনাথ বেজবৰুৱা

**123.** প্ৰমথেশ চন্দ্ৰ বৰুৱা প্ৰথমৰে পৰা জৰিত আছিল –

(1) অসম এছ'চিয়েচনৰ সৈতে

(2) গৌৰীপুৰৰ জমিদাৰ সৈতে

(3) চাহবাগিচাৰ খেতিৰ সৈতে

(4) ফিল্ম শিল্পৰ সৈতে

**124.** 'দেৱদাস' কথাছবিখনৰ নিৰ্মাতা হৈছে –

(1) প্ৰভাত চন্দ্ৰ বৰুৱা

(2) অসম এছ'চিয়েচন

(3) জ্যোতি প্ৰসাদ আগৰৱালা

(4) প্ৰমথেশ চন্দ্ৰ বৰুৱা

**125.** ১৯৩৪ চনত নিৰ্মাণ কৰা ভাৰতৰ প্ৰখ্যাত কথাছবি হৈছে –

(1) গৃহদাহ

(2) উত্তৰায়ণ

(3) দেৱদাস

(4) শাপমুক্তি

**126.** অসমীয়া কথাছবি নিৰ্মাণ কৰিবলৈ প্ৰমথেশ চন্দ্ৰ বৰুৱাই কি নাপালে –

(1) জমিদাৰ দেউতাকৰ অনুমতি

(2) উচ্চমানৰ অভিনেতা

(3) চৰকাৰী পৃষ্ঠপোষকতা

(4) সুবিধা

**127.** ১৯৩৪ চনটো কথাছবি জগতৰ দৃষ্টিৰে অসমৰ কাৰণে গৌৰৱময় বছৰ আছিল, কিয়নো –

(1) 'দেৱদাস' কথাছবিয়ে মুক্তি লাভ কৰিছিল

(2) 'দেৱদাস' কথাছবিখনে মুক্তি লাভ কৰাৰ লগতে 'জয়মতী' কথাছবিৰ কামো আৰম্ভ হৈছিল

(3) 'জয়মতী' কথাছবিখনে মুক্তিলাভ কৰিছিল

(4) অসমীয়া কথাছবিয়ে ভাৰতীয় কথাছবি জগতত যাউতিযুগীয়া আসনত অধিষ্ঠিত হৈছিল

**128.** অসমীয়া ভাষাত প্ৰথম কথাছবি নিৰ্মাণ কৰে —

(1) জ্যোতি প্ৰসাদ আগৰৱালাই

(2) প্ৰমথেশ চন্দ্ৰ বৰুৱাই

(3) প্ৰভাত চন্দ্ৰ বৰুৱাই

(4) লক্ষ্মীনাথ বেজবৰুৱাই

**129.** ৰাজনীতিতকৈ এৰ্টি ভাল বুলি কোনে ভাবিছিল ?

(1) জ্যোতি প্ৰসাদ আগৰৱালাই

(2) প্ৰমথেশ চন্দ্ৰ বৰুৱাই

(3) প্ৰভাত চন্দ্ৰ বৰুৱাই

(4) লক্ষ্মীনাথ বেজবৰুৱাই

*নিৰ্দেশ : তলৰ পৰিচ্ছেদটো ভালদৰে পঢ়া । পৰিচ্ছেদটোৰ শেষত [ 130 ৰ পৰা 135 লৈ ] ছটা প্ৰশ্ন আৰু প্ৰতিটো প্ৰশ্নৰ তলত চাৰিটাকৈ বিকল্প উত্তৰ দিয়া আছে । তাৰ পৰা অতি উপযুক্ত বিকল্প উত্তৰ নিৰ্বাচন কৰি প্ৰশ্নসমূহৰ উত্তৰ কৰা ।*

## আ-অলংকাৰ

মানুহ মাত্ৰেই সৌন্দৰ্য সচেতন । মানুহে নিজক সদায় সু-সজ্জিত কৰি ৰাখিবলৈ ভাল পায় । সেইবাবে মানুহে নিজক সুশ্ৰী আৰু সৌন্দৰ্য্যমণ্ডিত কৰি ৰাখিবলৈ আ-অলংকাৰ ব্যৱহাৰ কৰে । প্ৰাচীন কালৰ পৰাই মানুহে নিজকে সজাবলৈ অলংকাৰ ব্যৱহাৰ কৰি আহিছে । প্ৰাচীন কালত মানুহে গছৰ পাত, চৰাইৰ পাখি আদি মূৰত গুজি লৈছিল । জীৱ-জন্তু আদি বধ কৰি চিকাৰীয়ে জন্তুৰ নখ, শিং আদি পৰিধান কৰিছিল । আজিও কিছুমান মানুহে বাঘনখ, বাঘনখৰ মাদলি আদি পৰিধান কৰে ।

অলংকাৰবোৰে দেহৰ সৌন্দৰ্য্যবৰ্ধন কৰাৰ উপৰিও শৰীৰক ৰোগমুক্ত কৰাত সহায় কৰে । ভৰিৰ পৰা মূৰলৈকে পৰিধান কৰা বিভিন্ন অলংকাৰে শৰীৰত অংগ-প্ৰত্যংগবোৰৰ ৰক্ত সঞ্চালন আদিত সহায় কৰে ।

অলংকাৰ বা গহনা-গাঁথৰি তৈয়াৰ কৰাত শিল্পী বা কাৰিগৰজনৰ ৰুচিৰ পৰিচয় পোৱা যায় । প্ৰাকৃতিক বৈচিত্ৰ্য, জন-বিশ্বাস আৰু ধৰ্ম-বিশ্বাস আদিৰ ভিত্তিত গহনা-গাঁথৰিবোৰ নিৰ্মাণ কৰা হৈছিল । প্ৰকৃতিৰ গছ-লতিকা, চৰাই-চিৰিকতি, জোন, তৰা আদিক আৰ্হি হিচাপে লৈ গহনা তৈয়াৰ কৰা হয় ।

(ক) **লোকাপাৰ**

ই এবিধ সুৰুচিপূৰ্ণ আৰু মৰ্যাদাপূৰ্ণ অভিজাত অলংকাৰ । ইয়াক বিশেষকৈ উজনি অসম অঞ্চলত প্ৰচলিত বুলিব পাৰি ।

ই গঠন আৰু গঢ়ৰ দিশৰ পৰা এবিধ অপূৰ্ব অলংকাৰ । পিঠিয়া-পিঠিকৈ থকা চাৰিটা পাৰ চৰাইৰ গঢ়ত ইয়াক তৈয়াৰ কৰা হয় । সোণেৰে তৈয়াৰী এইবিধ গহনাত বাখৰ খটাই আটক ধুনীয়া কৰি তোলা হয় ।

আহোম ৰজা আৰু ডা-ডাঙৰীয়াসকলৰ তিৰোতাসকলে লোকাপাৰ পিন্ধিছিল । বিশেষকৈ উৎসৱ আদিত কাণত এইপদ গহনা পৰিধান কৰাটো এটা ৰীতিৰ দৰে আছিল ।

(খ) **গামখাৰু**

অসমত বসবাস কৰা মিচিং জনগোষ্ঠীৰ মুনিহ সকলক 'গাম' নামেৰে জনা গৈছিল । অতীততে গামে পিন্ধা খাৰুৰ অনুকৰণত তৈয়াৰ কৰা বাবেই এই খাৰুক *গামখাৰু* নামে জনা যায় ।

*মুঠিখাৰু* আৰু *গামখাৰুৰ* চানেকি প্ৰায় অনুৰূপ হোৱাৰ বাবে আজিকালি মুঠিখাৰুকেই গামখাৰু বুলি কয় ।

মিচিং সমাজৰ বাহিৰে অসমৰ অন্যান্য ঠাইত এইবিধ গহনাৰ প্ৰচলন একেবাৰেই নাই । বৰ্তমান সমাজ ব্যৱস্থাত ইয়াৰ প্ৰচলন কমিছে যদিও ঠাই বিশেষে সম্ভ্ৰান্ত লোকে মেলে সবাহে এই অলংকাৰ পিন্ধা দেখা যায় ।

(গ) **মুঠিখাৰু**

মুঠিখাৰু এবিধ তিৰোতা মানুহে হাতত পিন্ধা খাৰু বা অলংকাৰ । ই সাধাৰণতে তিনিশৰীয়া হয় । অৰ্থাৎ তিনিপাত খাৰু গাতে গা লগাই গঢ়োৱা হয় । যথেষ্ট শ্ৰম কৰি বা খুচৰি খুচৰি এই অলংকাৰ পদ গঢ়া হয় বাবে ইয়াৰ আন এটা নাম *খুচৰীয়া খাৰু* । মুঠি খাৰুৰ ওপৰত কৰা হাতৰ কামবোৰ অতি জটিল, সুক্ষ্ম আৰু বৈচিত্ৰ্যপূৰ্ণ । মুঠিখাৰুত সততে মিনা কৰা বা বাঘৰ খটোৱা হয় । সাধাৰণতে এইবিধ গহনা ৰূপেৰে গঢ়ায় যদিও আচ্যৱন্ত লোকে সোণেৰেও গঢ়োৱা দেখা যায় । কিছুমানে ৰূপেৰে গঢ়োৱা মুঠিখাৰুত সোণৰ পানী চৰায় । আহোম যুগত প্ৰচলিত মুঠিখাৰু বোৰত হীৰা পতোৱাৰ প্ৰমাণ পোৱা গৈছে ।

**130.** মানুহে কি কাৰণে অলংকাৰ পৰিধান কৰে ?

(1) নিজকে সুশ্ৰী আৰু ধুনীয়া কৰিবলৈ

(2) মানুহ সৌন্দৰ্য প্ৰিয়

(3) অলংকাৰ স্বভাৱিকতে ধুনীয়া

(4) অলংকাৰ প্ৰাচীন কালৰ পৰাই প্ৰচলিত

**131.** আজিকালিও জন্তুৰ নখ, শিং বা তাৰে গঢ়া মাদলি আদি কোনে পৰিধান কৰে ?

(1) মহিলাই

(2) চিকাৰীয়ে

(3) সকলোৱে

(4) কিছুমান মানুহে

**132.** আ-অলংকাৰসমূহ কিহৰ আৰ্হিত নিৰ্মিত ?

(1) অঙ্গ প্ৰত্যঙ্গৰ আৰ্হিত

(2) শিল্পী বা কাৰিকৰৰ কল্পনাৰ আৰ্হিত

(3) লতা, ফুল, বিহঙ্গম, জোন, তৰা আদিৰ আৰ্হিত

(4) জন-বিশ্বাসৰ প্ৰতিকৃতিৰ আৰ্হিত

**133.** লোকাপাৰৰ প্ৰচলন ক'ত বেছিকৈ দেখা যায় ?

(1) নামনিত

(2) মিচিং সম্প্ৰদায়ৰ মাজত

(3) কেৱল ৰাজ পৰিয়ালত

(4) উজানিত

**134.** কিহৰ অনুকৰণত গামখাৰু গঢ়া হৈছিল ?

(1) মুঠিখাৰুৰ অনুকৰণত

(2) মিচিং মুনিহে পিন্ধা খাৰুৰ অনুকৰণত

(3) সম্ভ্ৰান্ত মহিলাৰ অলংকাৰৰ অনুকৰণত

(4) মিচিংসকলে পিন্ধা অলংকাৰৰ অনুকৰণত

**135.** মুঠিখাৰুৰ গঠন কেনে ধৰণৰ ?

(1) গামগাৰুৰ নিচিনাই

(2) লোকাপাৰৰ উন্নত সংস্কৰণ

(3) তিনিপাত খাৰু গাতে গা লগাই গঢ়োৱা

(4) চাৰিপাত খাৰু লগ লগাই গঢ়োৱা

*নির্দেশ : প্ৰতিটো প্ৰশ্নৰ তলত দিয়া বিকল্প উত্তৰ বিলাকৰ মাজৰ পৰা অতি উপযুক্ত বিকল্পটো বাচি উলিয়াই তলত দিয়া প্ৰশ্নসমূহৰ উত্তৰ কৰা ।*

**136.** ভাষা আহৰণে বুজায় –

(1) মুখস্থ কৰা আৰু প্ৰয়োজনীয় শব্দাৱলীৰ ব্যৱহাৰ কৰা

(2) শব্দাৱলী মুখস্থ কৰা আৰু ব্যাকৰণ বিশ্লেষণ আৰু পূৰ্ণবোধৰ এক প্ৰণালীবদ্ধ দৃষ্টিকোণ গ্ৰহণ কৰা

(3) মানৱ মগজুৰ সহজাত ক্ষমতাৰে মাতৃভাষা অথবা দ্বিতীয় ভাষা এটা শিক্ষাৰ পদ্ধতিক

(4) শিশুসকলে নিজৰ ভাষাটো শিকিব পৰা পৰিৱেশক উৎসাহিত কৰাৰ কৌশলক

**137.** নোৱম চম্‌স্কীয়ে উল্লেখ কৰা 'অন্তৰ্লীন গঠন' (deep structures) ৰ অৰ্থ হৈছে –

(1) বিস্তৃত অধ্যয়নৰ জৰিয়তে শিকা এলানি অদৃশ্য ব্যাকৰণগত নিয়ম

(2) তুলনামূলক ভাষাবিজ্ঞানৰ প্ৰতি আসক্তি বঢ়াব পৰা ৰূপান্তৰ ব্যাকৰণ

(3) ইংৰাজী ভাষাক বিশ্বৰ সবাতোকৈ সহায়ক ভাষা হিচাপে বিবেচনা কৰাৰ এক প্ৰচলিত পৰম্পৰা

(4) সকলো ভাষাৰ বিশেষত্ব সম্বলিত সাৰ্বজনীন ব্যাকৰণ আৰু মানৱ মগজুৰ সহজাত ক্ষমতাৰ প্ৰতিফলন

**138.** পাঠ্যক্ৰমৰ 'আমূল-পৰিৱৰ্তন সধা নমুনা' (bottom up model) হৈছে, য'ত

(1) শিক্ষণৰ ভিত্তি হ'ল এনে এক চফ্‌টৱেৰ, যিয়ে পাঠ্যক্ৰমক অধিক বন্ধুত্বসূলভ কৰে

(2) পাঠ্যক্ৰমে ছাত্ৰ-ছাত্ৰীৰ গতিশীলতাক স্বতন্ত্ৰতা প্ৰদান কৰে আৰু ছাত্ৰ-ছাত্ৰীয়ে নিজে ভালপোৱা পাঠ্যক্ৰম নিৰ্বাচন কৰিব পাৰে আৰু এনেদৰে ছাত্ৰ-ছাত্ৰীৰ ভাষা শিক্ষনক উৎসাহিত কৰে

(3) শিক্ষণ পদ্ধতি হৈ পৰে মূলতঃ বৃত্তিমূলক

(4) ছাত্ৰ-ছাত্ৰীৰ ওপৰত পৰোক্ষভাৱে প্ৰভাৱ পেলাব পৰা এক প্ৰয়োজন-সাপেক্ষ দূৰ সংযোগী শিক্ষণ পদ্ধতিৰ প্ৰয়োগ কৰা হয়

**139.** শিক্ষণত মানবীয় দৃষ্টিভংগী (humanistic approach) ৰ বিশেষভাৱে পাৰশীলন কৰা হয় –

(1) সকলো বৈশিষ্ট্যৰে পাৰপূৰ্ণ শিক্ষাগত বিষয়ৰ ওপৰত দখল সাব্যস্ত কৰাৰ কাৰণে

(2) শিকা গঠন, বিষয়সূচী, ধাৰণা আৰু নীতিক নতুন পৰিৱেশত প্ৰয়োগ কৰিবৰ কাৰণে

(3) ছাত্ৰ-ছাত্ৰীয়ে নিজে নিজে গঠনৰ আৱিষ্কাৰ কৰিবলৈ সক্ষম হোৱা পদ্ধতিৰ প্ৰয়োগৰ কাৰণে

(4) সংলগ্ন বিষয় উপস্থাপনৰ লগতে অনুক্ৰম শিকোৱাৰ পদ্ধতি অৱলম্বন কৰিবৰ কাৰণে

**140.** 'বিশেষ প্ৰয়োজনীয়তা পূৰণ কৰা শ্ৰেণীকোঠা' (special needs classroom) হৈছে

(1) আচবাবেৰে পৰিপূৰ্ণ

(2) পৃথকভাৱে অৱস্থিত

(3) সকলো ধৰণৰ শিকাৰুক একগোট কৰিব পৰা বিধৰ

(4) নিয়মীয়া শিক্ষকক সহায় কৰিবলৈ ওপৰঞ্চি শিক্ষকৰ ব্যৱস্থা থকা ধৰণৰ

**141.** প্ৰাক্-পঠন কাৰ্যক্ৰম (Pre-reading activities) ৰ উদ্দেশ্য –

(1) নতুন শব্দ শিকোৱা

(2) ছাত্ৰ-ছাত্ৰীৰ জ্ঞান বৃদ্ধি কৰা

(3) পাঠৰ প্ৰতি ধাউতি বৃদ্ধি কৰা

(4) উপভোগ্য শিক্ষণ অভিজ্ঞতাৰ যোগান ধৰা

**142.** 'কেতিয়াও এৰি নিদিয়া দৃষ্টি ভংগী' (never give up attitude) শিকাবলৈ এটা উপযুক্ত কাৰ্য হৈছে, যেতিয়া ছাত্ৰ-ছাত্ৰীয়ে –

(1) অভিভাৱক-শিক্ষকৰ সভাত দুটা জনপ্ৰিয় গান গায় আৰু সিহঁতৰ কিছু কলা-শিল্প প্ৰদৰ্শন কৰে

(2) ছাত্ৰ-ছাত্ৰীয়ে নিজৰ কাগজ-কলমেৰে কৰা কাম পৰিশোধিত কৰে, বাৰম্বাৰ পৰীক্ষা কৰে, পৰস্পৰৰ মাজত আলোচনা কৰে আৰু বহুদূৰলৈ আগবাঢ়ি যোৱাৰ পৰিকল্পনা কৰে

(3) ছাত্ৰ-ছাত্ৰীসকলে জীৱনত সম্মুখীন হোৱা কঠিন পৰিস্থিতিবোৰৰ বিষয়ে দলগতভাৱে নিজৰ মাজত ৰেখাঙ্কন কৰিবলৈ লয়

(4) ভাষাৰ শ্ৰেণীৰ সময়ত অধ্যক্ষৰ অনুমতি লৈ বাহিৰলৈ গৈ খেলিবলৈ লয়

**143.** প্ৰাথমিক স্তৰত পঠন মূল্যায়ন অধিক কাৰ্যকৰী ৰূপত কৰাৰ এটা উপায় হৈছে –

(1) শব্দৰ অৰ্থ আৰু প্ৰকাশৰ ওপৰত আধাৰ কৰি মৌখিক কুইজ অনুষ্ঠিত কৰা

(2) গল্প বা পাঠৰ চৰিত্ৰ বা ঘটনাৰ ওপৰত ভিত্তি কৰি লিখিত পৰীক্ষা অনুষ্ঠিত কৰা

(3) এক মৌখিক সাক্ষাৎকাৰৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে কিমান পঢ়িছে তাৰ বিচাৰ কৰা

(4) এক সৰু প্ৰকল্প হিচাপে ৫০ টা শব্দৰ ভিতৰত এখন পুথি লিখা বা পাঠৰ পৰ্যালোচনা কৰা

**144.** পাঠ্যক্ৰমৰ উন্নীতকৰণে তলৰ কোনটো অনুক্ৰম অনুসৰণ কৰে ?

(1) উদ্দেশ্যাৱলীৰ নিৰূপণ, প্ৰয়োজনৰ বিচাৰ, পাঠ্য অথবা শিক্ষণ অভিজ্ঞতাৰ নিৰ্বাচন আৰু মূল্যায়ন

(2) পাঠ্য অথবা শিক্ষণ অভিজ্ঞতাৰ নিৰ্বাচন, প্ৰয়োজনৰ বিচাৰ, বাহ্যৰ নিয়ম কৰণ

(3) প্ৰয়োজনৰ বিচাৰ, বাহ্যৰ নিয়ম কৰণ, পাঠ্য বা শিক্ষণ অভিজ্ঞতা অথবা মূল্যায়নৰ নিৰ্বাচন

(4) বাহ্যৰ নিয়ম কৰণ, প্ৰয়োজনৰ বিচাৰ, মূল্যায়ন, পাঠ্য বা শিক্ষণ অভিজ্ঞতাৰ নিৰ্বাচন

145. শিকাৰুক প্ৰতিনিধিত্বমূলক অভিজ্ঞতা (vicarious experience) প্ৰদান কৰা মাধ্যম হ'ল —
(1) প্ৰকৃত বস্তু আৰু চানেকি
(2) অমূৰ্ত্ত শব্দ আৰু বিষয় অধ্যয়ন
(3) ফলক প্ৰদৰ্শন আৰু দৃশ্যমান ছবি প্ৰদৰ্শন
(4) ক্ষেত্ৰ ভ্ৰমণ আৰু পৰ্যবেক্ষণ

146. কম্পিউটাৰ সহায়পুষ্ট নিৰ্দেশাৱলী (Computer Aided Instruction) ত 'উদ্দীপক প্ৰক্ৰিয়া' (simulation mode) হৈছে, য'ত —
(1) বাস্তৱ জীৱনৰ ঘটনা পৰিঘটনাৰ অভিজ্ঞতা লাভ কৰা হয়
(2) প্ৰশ্ন আৰু তাৎক্ষনিক সংশোধনৰ সৈতে কিছুসংখ্যক তথ্য লাভ কৰা যায়
(3) বাৰম্বাৰ অনুশীলনৰ জৰিয়তে বহুতো অভিজ্ঞতা লাভ কৰা হয়
(4) প্ৰয়াস আৰু প্ৰমাদ পদ্ধতিৰে সমাধান কৰা কিছুমান সমস্যাৰ সম্মুখীন হোৱা যায়

147. 'শ্ৰৱণ উদ্দীপক' (Listening stimulus) এটাই —
(1) ছাত্ৰ-ছাত্ৰীয়ে শুনা কথা আলোচনা কৰিবলৈ সম্মিলিত হোৱা এদল ছাত্ৰ-ছাত্ৰীক বিভাজিত কৰাৰ কাৰণে উৎসাহ দিয়ে
(2) নিৰ্দেশ আদি দিয়াৰ নিচিনাকৈ তথ্যৰ মাজত থকা ঘাটিপূৰ্ণ কাৰ্যক্ৰম কৰিবলৈ প্ৰেৰণা দিয়ে
(3) পৰ্যালোচনা কৰাৰ বাবে ভাল বিবৰণি শুনিবলৈ প্ৰেৰিত কৰে
(4) কোনো এটা কাম সমাপ্ত কৰি পুনৰ উপস্থাপন কৰাৰ কাৰণে ছাত্ৰ-ছাত্ৰীসকলক শুনিবলৈ প্ৰেৰিত কৰে

148. কথন কৌশল মূল্যায়নৰ সময়ত 'পাৰস্পৰিক ভাববিনিময়ৰ কাৰ্যক্ৰমে' সামৰে —
(1) নিজৰ পাল পৰিলে কথা কৈ আৰু আনকো ক'বলৈ উপযুক্ত সুবিধা দি অৰ্থৰ সুবিনিময় কৰা
(2) নিজৰ বিদ্যালয় বা পৰিবেশৰ অনানুষ্ঠানিক বৰ্ণনা কৰা
(3) অন্য এজনৰ সৈতে টেলিফোনত কৰা কথা-বাৰ্তা
(4) দুটা অথবা অধিক বস্তু, ঠাই বা ঘটনাৰ তুলনা কৰা

149. লিখনৰ ক্ষেত্ৰত 'পুনৰ বিচাৰি উলিওৱা দক্ষতা' (retrieval skills) হৈছে —
(1) টোকা প্ৰস্তুত কৰা আৰু টোকা গ্ৰহণ কৰা
(2) নক্সা অঙ্কন আৰু সাৰাংশ প্ৰস্তুত কৰণ
(3) বিস্তাৰিত প্ৰাসংগিক কাৰ্য কৰাৰ সক্ষমতা
(4) পঢ়ি বা শুনি থাকোঁতে তথ্য সংগঠন কৰা

150. 'সজাগতা বৃদ্ধি কৰা' (awareness raising) ব্যাকৰণগত খেলে ছাত্ৰ-ছাত্ৰীসকলক উৎসাহিত কৰে —
(1) সিহঁতে শিকা কোনো গঠনৰ বিষয়ে সচেতনভাৱে ভাবিবলৈ
(2) প্ৰদান কৰা কোনো কাৰ্য সম্পূৰ্ণকৰণত সম্মিলিত হ'বলৈ
(3) শিক্ষকে ব্যাকৰণগত গঠনবোৰ নিয়ন্ত্ৰণ কৰি থকাৰ সময়ত অৰ্থৰ বিষয়ে অনুভৱ কৰিবলৈ অথবা অৰ্থ উদ্ধাৰত প্ৰবৃত্ত হ'বলৈ
(4) প্ৰদত্ত কোনো এটা বিষয়ে এজনে আন এজনৰ সৈতে ভাব বিনিময়ৰ কাৰণে শিকিলোৱা গঠনবোৰ ব্যৱহাৰ কৰিবলৈ

# SPACE FOR ROUGH WORK

**তলৰ নিৰ্দেশাৱলীসমূহ মনোযোগেৰে পঢ়া**

1. প্ৰত্যেক প্ৰশ্নৰে চাৰিটা বিকল্প দিয়া হৈছে । শুদ্ধ উত্তৰটো OMR উত্তৰ প্ৰত্ৰৰ দ্বিতীয় পিঠিত নীলা/ক'লা বল পেনেৰ ঘুৰণীয়াকৈ বোলাই দিয়া । এবাৰ চিহ্নিত কৰা উত্তৰটো পুনৰবাৰ পৰিবৰ্তন কৰিব নোৱাৰা ।
2. উত্তৰ-পত্ৰখন যাতে ভাঁজ কৰা নহয় সেইটো পৰীক্ষাৰ্থীয়ে নিশ্চিত কৰিব লাগিব । পৰীক্ষাৰ্থীয়ে নিজৰ ৰোল নম্বৰ উত্তৰ-পত্ৰৰ নিৰ্ধাৰিত স্থানৰ বাহিৰে অন্য ঠাইত নিলিখে যেন ।
3. প্ৰশ্নপত্ৰ আৰু উত্তৰ পত্ৰ মনোযোগেৰে ব্যৱহাৰ কৰিবা । কাৰণ প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰৰ কেৱল ক্ৰমিক সংখ্যাৰ খেলিমেলিৰ বাহিৰে বিকল্প প্ৰশ্ন পত্ৰ আৰু উত্তৰ পত্ৰ দিয়া নহ'ব ।
4. পৰীক্ষা পত্ৰ/উত্তৰ পত্ৰত থকা ক্ৰমিক সংখ্যা উপস্থিতি পত্ৰত শুদ্ধভাৱে লিখিবা ।
5. পৰীক্ষাৰ্থীয়ে পৰীক্ষাগৃহত প্ৰৱেশ পত্ৰৰ বাহিৰ অন্য পাঠ সামগ্ৰী, কাগজ, পেজাৰ, মোবাইল ফোন, বৈদ্যুতিন সামগ্ৰী ব্যৱহাৰ কৰিব নোৱাৰে ।
6. প্ৰত্যেক পৰীক্ষাৰ্থীয়ে নিৰীক্ষকক প্ৰৱেশ পত্ৰ দেখুৱাব ।
7. নিৰীক্ষকৰ বিনা অনুমতিত পৰীক্ষাৰ্থীয়ে বাহিৰলৈ যাব নোৱাৰিব ।
8. পৰীক্ষাৰ্থীয়ে কাৰ্যৰত নিৰীক্ষকক উত্তৰ বহী নিদিয়াকৈ তথা উপস্থিতি বহীত দ্বিতীয়বাৰ হস্তাক্ষৰ নকৰাকৈ পৰীক্ষা গৃহ ত্যাগ কৰিব নোৱাৰিব । যদি পৰীক্ষাৰ্থীয়ে দ্বিতীয়বাৰ উপস্থিতি বহীত হস্তাক্ষৰ নকৰে তেনেহলে উত্তৰ পত্ৰ নিদিয়া বুলি ধৰি লোৱা হ'ব আৰু ইয়াক অনুচিত কাৰ্য বুলি বিবেচনা কৰা হ'ব ।
9. বৈদ্যুতিন/হস্তচালিত কেলকুলেটৰৰ প্ৰয়োগ কৰিব নোৱাৰিব ।
10. পৰীক্ষা গৃহত পৰীক্ষাৰ্থী বোৰ্ডৰ নিয়ম অনুসাৰে পৰিচালিত হ'ব লাগিব । সকলো অনুচিত কাৰ্যৰবাবে বোৰ্ডৰ সিদ্ধান্তই চূড়ান্ত হ'ব ।
11. কোনো কাৰণতে পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ আৰু উত্তৰ পত্ৰ কোনো অংশকেই পৃথক কৰিব নোৱাৰিব ।
12. পৰীক্ষাৰ অন্তত পৰীক্ষাৰ্থীয়ে পৰীক্ষা গৃহ ত্যাগ কৰাৰ পুৰ্বে উত্তৰ পত্ৰ নিৰীক্ষকৰ হাতত জমা দিব লাগিব । পৰীক্ষাৰ্থীয়ে পৰীক্ষা পত্ৰ লগত নিব পাৰে ।

**READ CAREFULLY THE FOLLOWING INSTRUCTIONS :**

1. Out of the four alternatives for each question, only one circle for the correct answer is to be darkened completely with Blue/Black Ball Point Pen on Side-2 of the OMR Answer Sheet. The answer once marked is not liable to be changed.
2. The candidates should ensure that the Answer Sheet is not folded. Do not make any stray marks on the Answer Sheet. Do not write your Roll No. anywhere else except in the specified space in the Answer Sheet.
3. Handle the Test Booklet and Answer Sheet with care, as under no circumstances (except for discrepancy in Test Booklet Code or Number and Answer Sheet Code or Number), another set will be provided.
4. The candidates will write the correct Test Booklet Code and Number as given in the Test Booklet / Answer Sheet in the Attendance Sheet.
5. Candidates are not allowed to carry any textual material, printed or written, bits of papers, pager, mobile phone, electronic device or any other material except the Admit Card inside the examination hall/room.
6. Each candidate must show on demand his / her Admission Card to the Invigilator.
7. No candidate, without special permission of the Superintendent or Invigilator, should leave his / her seat.
8. The candidates should not leave the Examination Hall without handing over their Answer Sheet to the Invigilator on duty and sign the Attendance Sheet twice. Cases where a candidate has not signed the Attendance Sheet a second time will be deemed not to have handed over the Answer Sheet and dealt with as an unfair means case.
9. Use of Electronic / Manual Calculator is prohibited.
10. The candidates are governed by all Rules and Regulations of the Board with regard to their conduct in the Examination Hall. All cases of unfair means will be dealt with as per Rules and Regulations of the Board.
11. No part of the Test Booklet and Answer Sheet shall be detached under any circumstances.
12. **On completion of the test, the candidate must hand over the Answer Sheet to the Invigilator in the Room / Hall. *The candidates are allowed to take away this Test Booklet with them.***

**निम्नलिखित निर्देश ध्यान से पढ़ें :**

1. प्रत्येक प्रश्न के लिए दिए गए चार विकल्पों में से सही उत्तर के लिए OMR उत्तर पत्र के पृष्ठ-2 पर केवल एक वृत्त को ही पूरी तरह नीले/काले बॉल पॉइन्ट पेन से भरें । एक बार उत्तर अंकित करने के बाद उसे बदला नहीं जा सकता है ।
2. परीक्षार्थी सुनिश्चित करें कि इस उत्तर पत्र को मोड़ा न जाए एवं उस पर कोई अन्य निशान न लगाएँ । परीक्षार्थी अपना अनुक्रमांक उत्तर पत्र में निर्धारित स्थान के अतिरिक्त अन्यत्र न लिखें ।
3. परीक्षा पुस्तिका एवं उत्तर पत्र का ध्यानपूर्वक प्रयोग करें, क्योंकि किसी भी परिस्थिति में (केवल परीक्षा पुस्तिका एवं उत्तर पत्र के संकेत या संख्या में भिन्नता की स्थिति को छोड़कर) दूसरी परीक्षा पुस्तिका उपलब्ध नहीं करायी जाएगी ।
4. परीक्षा पुस्तिका / उत्तर पत्र में दिए गए परीक्षा पुस्तिका संकेत व संख्या को परीक्षार्थी सही तरीके से हाज़िरी-पत्र में लिखें ।
5. परीक्षार्थी द्वारा परीक्षा हॉल/कक्ष में प्रवेश कार्ड के सिवाय किसी प्रकार की पाठ्य सामग्री, मुद्रित या हस्तलिखित, काग़ज़ की पर्चियाँ, पेजर, मोबाइल फोन, इलेक्ट्रॉनिक उपकरण या किसी अन्य प्रकार की सामग्री को ले जाने या उपयोग करने की अनुमति नहीं है ।
6. पूछे जाने पर प्रत्येक परीक्षार्थी, निरीक्षक को अपना प्रवेश-कार्ड दिखाएँ ।
7. अधीक्षक या निरीक्षक की विशेष अनुमति के बिना कोई परीक्षार्थी अपना स्थान न छोड़ें ।
8. कार्यरत निरीक्षक को अपना उत्तर पत्र दिए बिना एवं हाज़िरी-पत्र पर दुबारा हस्ताक्षर किए बिना परीक्षार्थी परीक्षा हॉल नहीं छोड़ेंगे । यदि किसी परीक्षार्थी ने दूसरी बार हाज़िरी-पत्र पर हस्ताक्षर नहीं किए तो यह माना जाएगा कि उसने उत्तर पत्र नहीं लौटाया है और यह अनुचित साधन का मामला माना जाएगा ।
9. इलेक्ट्रॉनिक / हस्तचालित परिकलक का उपयोग वर्जित है ।
10. परीक्षा-हॉल में आचरण के लिए परीक्षार्थी बोर्ड के सभी नियमों एवं विनियमों द्वारा नियमित हैं । अनुचित साधनों के सभी मामलों का फैसला बोर्ड के नियमों एवं विनियमों के अनुसार होगा ।
11. किसी हालत में परीक्षा पुस्तिका और उत्तर पत्र का कोई भाग अलग न करें ।
12. **परीक्षा सम्पन्न होने पर, परीक्षार्थी कक्ष / हॉल छोड़ने से पूर्व उत्तर पत्र कक्ष-निरीक्षक को अवश्य सौंप दें । *परीक्षार्थी अपने साथ इस परीक्षा पुस्तिका को ले जा सकते हैं ।***

SEAL